**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি তৃতীয় দিনা পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত সাহিত্য সভাৰ নতুন সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পদ্মভূষণ স্বীকৃতি প্ৰাপ্ত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে। এই শোভাযাত্ৰাৰ জৰিয়তে ৰাজ্যৰ ঐশ্বৰ্যশালী সাংস্কৃতিক বিচিত্ৰতা প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সাহিত্য সভাৰ নতুন সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে আগবঢ়োৱা অভিভাষণত অসম সাহিত্য সভাই নবীন প্ৰবীন সকলোকে একেলগে লৈ আগবাঢ়িব লাগিব বুলি মন্তব্য কৰে। লগতে সাহিত্য সভাত কোনো নেতাৰ স্থান নাই বুলি উল্লেখ কৰি ডঃ গোস্বামীয়ে কয়, যে ভাষিক উন্মাদনাই অসমীয়া ভাষা জীয়াই ৰাখিব নোৱাৰে। সাহিত্য সভাই জাতীয়তাবাদ আৰু অৰ্থনৈতিক জাতীয়তাবাদৰ সৃষ্টি কৰিব লাগিব আৰু ইয়াৰ বাবে সাহিত্য সভাৰ ভাষাসমূহ অধিক শক্তিশালী কৰি তুলিব লাগিব। সময়ে সময়ে অসমত পাঠকৰ অভাৱ বুলি হোৱা সমালোচনা সন্দৰ্ভত মন্তব্য কৰি ডঃ গোস্বামীয়ে কয়, যে পাঠক সন্দৰ্ভত আজিলৈ জৰীপ হোৱা নাই। শিশুসকলক মাতৃভাষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ সাহিত্য সভাই অনাগত দুটা বছৰ কাম কৰিব বুলিও ড০ গোস্বামীয়ে অভিভাষণত মন্তব্য কৰে। প্ৰশাসনিক ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈও ডঃ গোস্বামীয়ে আহ্বান জনায়। ডঃ গোস্বামীয়ে লগতে কয়, যে ইউনিকোডত অসমীয়া ভাষা প্ৰতিস্থিত কৰিবলৈ এটা দল গঠন কৰিব লাগিব। অনাগত দুটা বছৰত শংকৰদেৱৰ ৰচনাৱলী, হিন্দী ইংৰাজী ভাষালৈ অনুবাদ কৰাৰ লগতে শিশুসকলৰ বাবে ভ্ৰাম্যমান পুথিভঁড়ালৰ ব্যৱস্থা কৰা হ'ব বুলিও ড০ গোস্বামীয়ে অভিভাষণত উল্লেখ কৰে।

০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি সেৱা ভাৰতী পূৰ্বাঞ্চল আৰু ৰাষ্ট্ৰীয় ঔষধ সংস্থাৰ যুটীয়া উদ্যোগত আয়োজিত ২২ সংখ্যক ধনন্তৰী সেৱা যাত্ৰাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। উত্তৰ-পূব ভাৰতৰ সাতোখন ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰ পৰা অহা ৯ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া ধনন্তৰী সেৱা যাত্ৰা শীৰ্ষক এই চিকিৎসা শিবিৰৰ জৰিয়তে জনসাধাৰণক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদানৰ লগতে সমাজত সেৱাৰ মনোভাৱ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ এই কাৰ্যসূচীৰ জৰিয়তে ৪ হাজাৰ ৯৪১খন গাঁৱত প্ৰায় দুহেজাৰটা শিবিৰ আয়োজিত হৈছে। এই শিবিৰসমূহত দুহেজাৰ চিকিৎসক তথা এহেজাৰ ২০০গৰাকী চিকিৎসা বিজ্ঞানৰ ছাত্ৰই ৩৮ হাজাৰৰো অধিক ৰোগীক চিকিৎসা কৰিছে। ২২ সংখ্যক ধনন্তৰী সেৱা যাত্ৰাত ১৪২গৰাকী চিকিৎসক, ৯৭গৰাকী চিকিৎসা বিজ্ঞানৰ ছাত্ৰকে ধৰি চিকিৎসা খণ্ডৰ সৈতে জড়িত বিভিন্ন কৰ্মচাৰীয়ে ৰোগীসকলক সেৱা আগবঢ়াব।

০০০০

আবকাৰি তথা কৃষি মন্ত্ৰী অতুল বৰাই আজি বিশ্বনাথত আবকাৰি তথা কৃষি বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকখনত স্থানীয় বিধায়ক, বিশ্বনাথৰ আয়ুক্ত, অসম বীজ নিগমৰ অধ্যক্ষ, আৰক্ষী অধীক্ষক, জিলা কৃষি বিষয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বৈঠকখনত আবকাৰি ৰাজহ সংগ্ৰহৰ শেহতীয়া অৱস্থিতি, বিভাগটোৰে সুৰাৰ অবৈধ সৰবৰাহ ৰোধ কৰিবলৈ লোৱা ব্যৱস্থা তথা আনুষঙ্গিক বিষয়সমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন কৃষি সম্পৰ্কীয় আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। শ্ৰীবৰাই বিশ্বনাথৰ উত্তৰ-পূব আঞ্চলিক পাম সা-সঁজুলিৰ প্ৰশিক্ষণ তথা পৰীক্ষণ প্ৰতিষ্ঠানো পৰিদৰ্শন কৰে। কৃষি তথা কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ এই প্ৰতিষ্ঠান পৰিদৰ্শন কৰি তেওঁ কয় যে কৃষি সম্পৰ্কীয় সা-সঁজুলিৰ সহায়ত কৃষকসকলে কম সময়তে অধি শস্য উৎপাদন কৰাৰ লগতে একেটা বছৰতে দুটা বা ততোধিক শস্যৰ খেতি কৰিব পাৰে। মন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানখনৰ সঞ্চালক তথা সংশ্লিষ্ট বিষয়াসকলক আধুনিক কৃষি সম্পৰ্কীয় সা-সঁজুলিৰে কৃষকসকলৰ প্ৰশিক্ষণ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিৰ আমূলগুৰিৰ বাটঘৰীয়াত অহা ৭ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ আয়োজিত হ'বলগীয়া সোণোৱাল কছাৰী সাহিত্য সভাৰ দ্বিতীয় বাৰ্ষিক ধেমাজি অধিবেশনৰ প্ৰস্তুতিৰ বুজ লয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ ৭ কোটি টকা অনুদান সাপেক্ষে ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি তেওঁ গৃহ সমষ্টিৰ ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০

ভাৰতীয় সংবিধানৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি চলি থকা সংবিধান গৌৰৱ অভিযানৰ অংশ হিচাপে ভাৰতীয় জনতা পাৰ্টীয়ে আজি গুৱাহাটীত এখন বিশেষ আলোচনাচক্ৰৰ আয়োজন কৰে। এই আলোচনাত তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে সংবিধানক গণতন্ত্ৰৰ মেৰুদণ্ড আখ্যা দি গণতন্ত্ৰৰ সেৱা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দোহাৰে।

০০০০

উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদে আজি জিলা ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। এই উপলক্ষে সাংস্কৃতিক ঐতিহ্য তথা ইতিহাস সামৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলাখনৰ ঐশ্বৰ্যশালী ইতিহাস তথা বিচিত্ৰ সংস্কৃতিত নিহিত হৈ থকা সমন্বয় তথা গৌৰৱৰ প্ৰতিফলনেৰে শোভাযাত্ৰাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত পদ্ম বঁটা লাভ কৰা জয়নাচৰণ বাথাৰীক সম্বৰ্দ্ধনা জনোৱা হয়।

০০০০

সমাপ্ত